No. of Printed Pages—3

615 (SKM12)

[18–HRGPKAC–D6S]

BA 6th Semester Exam., 2018

SANSKRIT

[BSKM–11]

(Darsana and Smritisastra)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক : 1×8=8

(a) 'ন্যায়সূত্ৰ' কোনে ৰচনা কৰিছিল, লিখক।

(b) 'আপ্ত' শব্দৰ অৰ্থ লিখক।

(c) কোনটো দৰ্শনত উপমানক অনুমানৰ অন্তৰ্গত বুলি কোৱা হয়, লিখক।

(d) অন্নংভট্টৰ মতে মুক্তি কি, লিখক।

(e) পক্ষ কাক বোলে, লিখক।

(f) ধৰ্মশাস্ত্ৰসমূহক কি কি তিনিটা খণ্ডত ভগোৱা হয়, লিখক।

(g) 'অৰ্ক' শব্দৰ অৰ্থ লিখক।

(h) খালী ঠাঁই পূৰণ কৰক :

দণ্ডঃ শান্তি _____ সৰ্ব্বা দণ্ড এৱাভিৰক্ষতি।

2. তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : 2×8=16

(a) বেদান্ত-পৰিভাষাৰ লিখক কোন আৰু গ্ৰন্থখনত কেইটা অধ্যায় আছে, লিখক।

(b) বাচস্পতি মিশ্ৰই অনুমানক কেনেদৰে ভাগ কৰিছে? ভাগবোৰ লিখক।

(c) পৰমাণু কাক বোলে বুজাই লিখক।

(d) তৰ্কসংগ্ৰহৰ মঙ্গলাচৰণটো মুখস্থ লিখক।

(e) ন্যায়াবয়ব বুলিলে কি বুজায়, লিখক।

(f) চাৰিগৰাকী ধৰ্মশাস্ত্ৰকাৰৰ নাম উল্লেখ কৰক।

(g) খালী ঠাই পূৰণ কৰক :

অৰাজকেহি লোকেঽস্মিন্ সৰ্বতো ৱিদ্ৰুতে— ।
ৰক্ষাৰ্থমস্য সৰ্ৱস্য ৰাজানম্ _____ প্ৰভুঃ ।।

(h) কেনেধৰণৰ গুণসম্পন্ন ৰজাই যথাবিধি দণ্ড প্ৰয়োগ কৰিব পাৰে, লিখক।

3. তলৰ যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 4×5=20

(a) শব্দ প্ৰমাণৰ লক্ষণ ব্যাখ্যা কৰক।

(b) অনুমান শব্দৰ অৰ্থ বিশ্লেষণ কৰক।

(c) অন্নংভট্টৰ বিষয়ে চমুকৈ লিখক।

(d) পৰামৰ্শৰ বিষয়ে চমুকৈ লিখক।

(e) ধৰ্মশাস্ত্ৰৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ কি কি, লিখক।

(f) দণ্ডৰ উচিত প্ৰয়োগ কৰাৰ সুফলসমূহ চমুকৈ লিখক।

(Continued)

4. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×2=16

(a) প্ৰমাণ হিচাপে অনুমানৰ স্থিতি আলোচনা কৰক।

(b) তৰ্কসংগ্ৰহ গ্ৰন্থৰ বৈশিষ্ট্যবোৰ লিখক।

(c) 'মনুসংহিতা'ৰ ৭ম অধ্যায়ৰ প্ৰথম শ্লোকৰ পৰা ত্ৰয়োদশ শ্লোকলৈ থকা বিষয়বস্তুৰ সাৰাংশ প্ৰস্তুত কৰক।

5. তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) : 10×2=20

(a) উপমান প্ৰমাণৰ লক্ষণ আৰু উদাহৰণ ব্যাখ্যা কৰক।

(b) তৰ্কসংগ্ৰহৰ মতে অনুমান প্ৰমাণৰ বিভাগকেইটা কি কি? প্ৰত্যেকটো বিভাগৰ উদাহৰণ দি ব্যাখ্যা কৰক।

(c) দণ্ডই কেনেকৈ সকলো প্ৰাণীকে ৰক্ষা কৰে সেই সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

★★★